# পাতনি

জীৱন-অভিজ্ঞতাৰ বহু তথ্য আৰু সঁচা প্ৰতিচ্ছবি কলাসুলভ ৰূপত কথাসাহিত্য উপন্যাসৰ মাজেৰে প্ৰকাশ পোৱা দেখা যায়। বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত চৰিত্ৰক সংবেদনশীল ৰূপত উপস্থাপন কৰা একাংশ ঔপন্যাসিকৰ প্ৰচেষ্টাত অসমীয়া উপন্যাসত বৃদ্ধ লোকৰ জীৱনচিত্ৰৰ প্ৰতিফলন ঘটিছে। শিল্পায়নৰ উন্নতি, চিকিৎসাবিজ্ঞানৰ অভূতপূৰ্ব প্ৰগতি আৰু বিজ্ঞান, তথ্য-প্ৰযুক্তিবিদ্যাৰ সাফল্যই বিশ্বায়নৰ প্ৰভাৱত সাম্প্ৰতিক বৃদ্ধ লোকৰ জীৱনযাত্ৰা পূৰ্বৰ তুলনাত অধিক উন্নত কৰিছে, কিন্তু তেওঁলোকৰ জীৱনৰ মান পূৰ্বতকৈ অধিক অৱনমিত হোৱা দৃষ্টিগোচৰ হৈছে। প্ৰচাৰ মাধ্যমে বাৰ্ধক্য-জীৱনৰ দুৰ্দশা, সচেতনতাৰ প্ৰতি সমাজৰ লোকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে যদিও দিনকদিনে বৃদ্ধ লোকৰ সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মানৱ-জীৱনৰ অবাঞ্ছিত বাৰ্ধক্যক যন্ত্ৰণা বুলি সকলোৰে মনত এক ভ্ৰান্ত ধাৰণা আছে। বাৰ্ধক্য অবিহনে মানৱ-জীৱন কিন্তু অসম্পূৰ্ণ। বৃদ্ধসকলৰ প্ৰতি সহানুভূতি আৰু বাৰ্ধক্য-জীৱনৰ সমস্যা জনাৰ আগ্ৰহ আৰু কৌতূহলৰ বাবে **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** বিষয়টো গৱেষণা-কৰ্মৰ বাবে নিৰ্বাচন কৰা হৈছে। আমাৰ গৱেষণাৰ পূৰ্বৰ তত্ত্বাৱধায়ক প্ৰয়াত ড° প্ৰদীপ হাজৰিকা ছাৰৰ সহযোগিতাত গৱেষণাৰ প্ৰাৰম্ভিক কৰ্মত অগ্ৰসৰ হওঁ যদিও তেখেতৰ অকাল বিয়োগত গৱেষণাৰ তত্ত্বাৱধায়কৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন কলাগুৰু আৰু অসমীয়া বিভাগৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰাধ্যাপক তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকা বাইদেউৰ সাহচৰ্য লভাৰ সৌভাগ্য হয়। তেখেতৰ নিৰন্তৰ আশাশুধীয়া প্ৰচেষ্টাত আমাৰ আধৰুৱা গৱেষণা-কৰ্মখিনি সমাপন কৰিবলৈ সক্ষম হওঁ। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত মনস্তত্ত্বৰ দৰে এটি গভীৰ বিষয় পুংখানুপুংখ ৰূপত অধ্যয়ন কৰা সহজ নহয়। আমাৰ সীমিত জ্ঞানৰ পৰিসৰৰ দ্বাৰা অধ্যয়ন কৰা গৱেষণাৰ বিষয়টোৱে পৰৱৰ্তী গৱেষকসকলৰ কৰ্মক অনুপ্ৰাণিত কৰিব বুলি আমি আশাবাদী। পৰিশেষত আমাৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰিলোঁ।

বীণা শইকীয়া

**মাৰ্চ, ২০২১** **বীণা শইকীয়া**